অসম সাহিত্য সভা

'ৰঙ্গন শতবাৰ্ষিকী'

শিৱসাগৰ

(৮ আৰু ৯ নৱেম্বৰ ১৯৮৩)

# ঃ সভাপতিৰ অভিভাষণ ঃ

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

১) কালিৰ 'আৰ্হুনি আৰু অসমীয়া ভাষা-সাহিত্য আৰু মিছনেৰীসকল' নামৰ আলোচনা-চক্ৰই কেইবাজন মিছনেৰীৰ জীৱনী আৰু কৰ্ম সম্পৰ্কে আমাক আগতকৈ সহজকৈ জানিবলৈ দিলে। বিশেষকৈ বৰপূজাৰীৰ "আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম" নামৰ গ্ৰন্থখনত ভাষা-সাহিত্যৰ উপৰিও ধৰ্ম নীতি, শিক্ষা নীতি, লিপি, [illegible] বুৰঞ্জী-সাহিত্য সম্পৰ্কে আলোচনা কৰি নতুন অনুসন্ধানৰ পথ মুকলি কৰিলে। বিশেষকৈ ধৰ্মপ্ৰচাৰ আৰু খ্ৰীষ্টানৰ ভাষা শিকাৰ উদ্দেশ্য কেউ ব্যাখ্যা কৰিছে। প্ৰথম মতে বেপাৰৰ উদ্দেশ্য, দ্বিতীয় জ্ঞানৰ-ভক্তিমত প্ৰচাৰত কৰা।

২) অৰুণোদই সম্বাদপত্ৰ আৰু তাৰ সাংবাদিকতা সম্পৰ্কে বিভাগৰ তথ্য ওলাইছে সেইবোৰ মূল্যবান। কিন্তু সাংবাদিকতা সেই সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰত যথেষ্ট উন্নত। কাৰণেই সাংবাদিকতাৰ ইতিহাসৰ দৃষ্টিৰ পৰাও ইয়াৰ মূল্যায়ন হোৱা আৱশ্যক

৩) আমাৰ জাতীয় সমস্যাৰ আমি আজিও সন্মুখীন হৈছো। ইয়াৰ বিষয়ে আমাৰ আলোচনা চলি আছে আৰু থাকিব।

৪) খ্ৰীষ্টীয় সাহিত্যৰ প্ৰধান অৱদান নতুন নিবন্ধ সাহিত্য আৰু কাহিনী সাহিত্যৰ বাট পোনোৱা। বিজ্ঞান আৰু ধৰ্ম-নীতি বিলোৱা।

৫) ভাষা বিজ্ঞান চৰ্চা

৬) সামাজিক ভাষা বিজ্ঞান }

৬) হিন্দু ধৰ্ম আৰু খ্ৰীষ্ট ধৰ্মৰ মাজৰ সম্পৰ্ক সম্পৰ্কে আলোচনা হোৱা ভাল।

৭) অসমীয়া ভাষাক শিক্ষা আৰু প্ৰশাসনৰ মাধ্যম হিচাপে [illegible] পাব প্ৰধানকৈ কোন দায়ী? এই প্ৰশ্নটোৰ মীমাংসা কৰিবলৈ আমি যত্ন কৰিব লাগিব।

৮) নামঘৰীয়া নাট ভাওনা মানে কি জানা?

৯) পাদুৰীসকলৰ লিপিনীতি আৰু ভাষা-নীতি বৰ্তমান অৱস্থাত কেনেকুৱা। তেওঁলোকৰ ভূমিকা বৰ্তমান কেনে হোৱা উচিত

১০) বৃটিশ মিছন আৰু মাৰ্কিন মিছনৰ তুলনামূলক অধ্যয়ন;

অসম সাহিত্যসভাই ব্ৰন্সন শতবাৰ্ষিকী পাতি অকল ৰেভাৰেণ্ড মাইলছ ব্ৰন্সনে কৰা ঐতিহাসিক সাংস্কৃতিক সেৱাৰ কথাকে স্মৰণ কৰি ক্ষান্ত থাকিব খোজা নাই, ঊনবিংশ শতিকাৰ ত্ৰিশ দশকৰ পৰা আৰম্ভ কৰি সত্তৰ দশকলৈকে ঘটা গুৰুত্বপূৰ্ণ সাংস্কৃতিক আৰু সংস্কাৰমূলক প্ৰচেষ্টাবো পুনৰ সমীক্ষণ কৰিবলৈ ইচ্ছা কৰিছে। অৱশ্যে এইটো থিতাতে কৰিব পৰা কাম নহয়। কাৰণ সেই সংক্ৰান্তি কালৰ ঘটনাৱলী সেই কালৰ দৃষ্টিৰে চোৱাৰ উপৰিও আধুনিক কালৰ দৃষ্টিৰেও সেইবোৰৰ মূল্যায়ন কৰিব লাগিব। সেই সময়ত যি শিক্ষা আমাৰ নৱজীৱনৰ আহিলা বুলি লোৱা হৈছিল, আজি সেই শিক্ষা নৱজীৱনৰ আহিলা বুলি আমি ধৰিব নোৱাৰা হৈছো। আমি পুৰণি শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্ত্তন বিচাৰিছো, কিয়নো এই শিক্ষাই আমাৰ প্ৰত্যেকৰে মাজৰ সুপ্ত প্ৰতিভা বিকাশৰ সুযোগ নিদিয়ে আৰু সমগ্ৰ জাতিটোৰ ভৌতিক, সাংস্কৃতিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় পটুতা অথবা প্ৰেৰণা নোযোগায়। আজি আমি অকল ইতিহাস পঢ়িলে বা লিখিলেই নহব. পঢ়া আৰু লিখাৰ প্ৰায়োগিক দিশটোৰ কথা পাহৰিলেও নচলিব। আন কথাত ইতিহাস লিখা বা পঢ়াৰ উদ্দেশ্য হ'ল আৱশ্যকীয় প্ৰেৰণা লৈ ইতিহাস গঢ়া। আমি সকলো যেতিয়া এই শতবাৰ্ষিকী উংসৱৰ পৰা উভতি যাম, তেতিয়া আমি যাতে ব্ৰন্সনৰ জীৱন, কাম আৰু কথাৰ যি বিশ্বজনীন তাংপৰ্য, সেইখিনি গ্ৰহণ কৰি উভতি যাব পাৰো, তাকে আশা কৰিছোঁ।

ব্ৰন্সন যেতিয়া অসমলৈ আহিছিল, তেতিয়া অসমত জাহাজ, ৰেল, আধুনিক পঢ়াশালি, দেৱাইখানা, আধুনিক জীৱন-যাপনৰ সা-সুবিধা আদি একো নাছিল। ব্ৰহ্মপুত্ৰৰ বুকুত তেওঁৰ বন্ধু থমাছৰ সলিল সমাধি ঘটিল, কালক্ৰমত এজনৰ পাছত এজনকৈ তেওঁৰ দুগৰাকী পত্নী, জীয়েক আৰু ভনীয়েকৰ অকাল মৃত্যু হ'ল। অকল সেয়েই নহয়, অশেষ পৰিশ্ৰমেৰে গঢ়ি তোলা তেওঁৰ মাউৰা শালিটো বন্ধ কৰিব লগাত পৰিল, আৰু বাৰবছৰৰ অবিৰাম সাধনা কৰি চৈধ্য হাজাৰ শব্দৰ যিখন অসমীয়া ইংৰাজী অভিধান ছপাই

উলিয়ালে, সেইখনৰ বানান পদ্ধতি বাদ-প্ৰতিবাদৰ সন্মুখীন হ'ব লগা হ'ল। তাতোকৈও ডাঙৰ কথা, যীশুখ্ৰীষ্টৰ প্ৰেম আৰু পৰিত্ৰাণৰ বাণী নক্টেক নক্টে দোৱানত আৰু অসমৰ সকলো শ্ৰেণীৰ লোকক উমৈহতীয়া ভাষাত বিলাবলৈ সংকল্প লোৱাৰ প্ৰথম খোজতে, তেওঁ অসমীয়া ভাষাক অসমৰ শিক্ষা আৰু প্ৰশাসনৰ মাধ্যম কৰাৰ ৰণত ভাগ ল'ব লগা হ'ল। ব্ৰাউন চাহাবকে আদি কৰি কেইবাজনো লোক এই প্ৰচেষ্টাত তেওঁৰ সহকৰ্মী আছিল। এইসকলৰ ভিতৰত সম্ভৱতঃ তেৱেঁই একমাত্ৰ যীশুভক্ত অসমীয়া প্ৰেমী যি খবৰ কাগজত মতামত দাঙি ধৰি আৰু লাট চাহাবলৈ চিঠি লিখি অসমীয়া ভাষাৰ হক প্ৰতিষ্ঠা কৰিবলৈ একেৰাহে যত্ন কৰিছিল, আৰু অসমৰ পৰা বিদায় লোৱাৰ আগতে সেই হক পূৰণ হোৱা চাই যাবলৈ পাইছিল। অসমক তেওঁ ইমান ভাল পাইছিল যে যাবৰ সময়ত তেওঁ বন্ধু-বান্ধৱক কৈছিল— "যাবলৈ মোৰ সত যোৱা নাই, মোৰ হিয়া ইয়াত থাকি যাব।" এইজনেই সেই ব্ৰন্সন চাহাব, যি নিজৰ তিৰোতা আৰু সহকৰ্মীৰে সৈতে ১৮৫১ চনৰ জুনমাহত নগাঁৱত হোৱা মাউৰত অসংখ্য মানুহ বিনা চিকিৎসাৰে মৰা দেখা পাই, ঘৰে ঘৰে মানুহৰ নৰিয়া চাই দৰব বিলাই, শুশ্ৰূষা কৰি যথেষ্ট মানুহক বেমাৰৰ পৰা ৰক্ষা কৰিছিল। পাদুৰী চাহাবসকলে এহাতে বাইবেল লৈ ফুৰিছিল, ইখন হাতেদি বিজ্ঞানৰ বাণী বিলাইছিল। অসমীয়া মানুহে ইতিমধ্যে মহাপুৰুষ শংকৰদেৱৰ পৰা শৰণধৰ্ম পাইছিল, সম্ভৱতঃ সেইবাবে যীশুৰ শৰণ-ধৰ্মৰ প্ৰতি নকৈ আকৃষ্ট নহ'ল। কিন্তু ব্ৰন্সনৰ ভাষা বিজ্ঞান, সাংবাদিকতা আৰু মানৱতাৰ সেৱাই সেই সময়ৰ শিক্ষিত অসমীয়াক বৰকৈ আকৃষ্ট কৰিছিল।

আমি আজি সেই ব্ৰন্সনক সুঁৱৰিছো। এই ব্ৰন্সনে অসমীয়াৰ ইতিহাস আৰু এই ইতিহাস গঠনত অসমীয়া ভাষাৰ ভূমিকাৰ কথা ইমান সুন্দৰ ৰূপে বুজিছিল যে এই বিষয়ে বৃহৎ গ্ৰন্থ নিলিখিলেও তেওঁৰ উপলব্ধি তেওঁৰ কিছুমান উক্তিত মূৰ্ত হৈ প্ৰকাশ পাইছে। অকল পতিত মানুহৰে নহয়, পতিত জাতিৰো আত্মাৰ মুক্তিৰ অব্যক্ত বাণী যেন তেওঁ শুনিছিল। অনুমান হয়, যুক্তৰাষ্ট্ৰৰ

"উদাৰনৈতিক আৰু প্ৰবুদ্ধ" নাগৰিকৰ যি ৰাজনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক চেতনা, সেই চেতনা খ্ৰীষ্টীয় পাৰমাৰ্থিক চেতনাৰ পৰিপূৰক হৈ তেওঁৰ মনত বিৰাজ কৰিছিল, আৰু সেয়ে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শিক্ষা আৰু প্ৰশাসনত প্ৰয়োগ কৰা ভুল ভাষা নীতিৰ তেওঁ মানবীয় আৰু যুক্তিসংগত প্ৰতিবাদ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। মনত ৰাখিব লাগিব, যুক্তৰাষ্ট্ৰত তেতিয়া গণতান্ত্ৰিক চেতনা সজীৱ হৈ আছিল। ব্যক্তিয়েই নহয়, প্ৰজাতীয় আৰু জাতীয় মুক্তিৰ বিবিধ স্বৰ সেই গণতন্ত্ৰৰ বীণাত আপোনা-আপুনি বাজি উঠিছিল। তাৰে এটা স্বৰ বাজি উঠিছিল মানুহৰ দাসত্ব মুক্তিৰ সাধনাৰ মাজেদি—যাৰফলত যুক্তৰাষ্ট্ৰত গৃহযুদ্ধ পৰ্যন্ত ঘটিল। সেই সময়ত যুক্তৰাষ্ট্ৰ ৰাজনৈতিক পৰাধীনতাৰ পৰা মুক্ত আৰু বিজ্ঞানত আস্থাবান। ব্ৰন্সনৰ চৰিত্ৰত সেইবাবে এটা উঠি অহা জাতিৰ আশাবাদ প্ৰতিফলিত হৈছিল।

ব্ৰন্সনে ১৮৫৫ চনৰ ২৫ মে তাৰিখৰ 'ফ্ৰেণ্ড অৱ ইণ্ডিয়া' কাকতত প্ৰকাশ কৰা চিঠিখনৰ কিছুমান মন্তব্যই এই চৰিত্ৰ গুণৰ সাক্ষ্য দিয়ে। সম্পাদকক তেওঁ প্ৰতিশ্ৰুতি দিছিল, তেওঁ আমেৰিকা সংযুক্ত গণৰাজ্যৰ "উদাৰনৈতিক আৰু প্ৰবুদ্ধ" নাগৰিক ৰূপে অসমৰ কাম কৰি দেশৰ যশস্যা অটুট ৰাখিবলৈ সততে যত্ন কৰিব। অসমীয়া ভাষাৰ হক ৰক্ষা কৰাৰ বাবে তেওঁ অন্যান্য সতীৰ্থসকলৰ সৈতে বিপৰীত সত্যাৱলম্বীসকলৰ লগত সততে যুঁজিব লগা হৈছিল। এই যুঁজ আছিল যুক্তিৰ। সম্পাদকলৈ তেওঁ লিখিছিল: "আন জাতিৰ দৰে অসমীয়াৰো মাতৃভাষা আছে। আপোনাৰ মনত থাকিব পায়, অসমীয়াৰ হিত সাধনাৰ্থে কাম হাতত লওঁতেই পূজ্যপাদ ডঃ কেৰীয়ে অসমীয়া ভাষাক (কামৰ) মাধ্যম কৰাৰ প্ৰয়োজন বোধ কৰিছিল। এই কথাৰ প্ৰমাণ দিয়ে তেওঁ যুগুত কৰা ধৰ্মশাস্ত্ৰৰ অনুবাদ আৰু অন্যান্য কামে। পিছলৈ শ্ৰীৰামপুৰ মিশ্যনে অসমত ৰবিনচন আৰু ৰৈক নিযুক্ত কৰে। অসমীয়া ভাষা ব্যৱহাৰৰ প্ৰয়োজনীতা সম্পৰ্কে তেওঁৰ কি মত হ'ব লাগে, তাক তেওঁলোকে সংশোধিত কৰি প্ৰকাশ কৰা সাধু লুকৰ বাণী আৰু

অন্যান্য গ্ৰন্থাদিয়ে বঢ়িয়াকৈ প্ৰমাণ কৰে। আন জাতিৰ দৰে অসমীয়া সকলেও নিজৰ ভাষাক বৰ ভাল পায়।” ৰবিনচনে শেষলৈ চৰকাৰী চাকৰিয়াল হৈ অসমীয়া ভাষা সম্পৰ্কে কিছুমান অবিজ্ঞান সম্মত মন্তব্য দিছিল। ব্ৰন্সনৰ অন্যতম বান্ধৱ ভাষাবিদ ৰেভাৰেণ্ড ডঃ নাথান ব্ৰাউনে ৰবিনচনৰ **“অসমৰ চৰকাৰী পঢ়াশালিত বঙালী ভাষা ব্যৱহাৰৰ সপক্ষে গোটাচেৰেক যুক্তি”** নামৰ প্ৰতিবেদনখন পঢ়ি “বহুৱালি” বুলি মন্তব্য কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। ৰবিনচনে অসমীয়াক বঙালী ‘জাতীয় ভাষা’ৰ পৰিবৰ্তনীয় উপাদন ৰূপে গণ্য কৰিছিল। এই অযুক্তিকৰ মত ব্ৰাউন, ব্ৰন্সন, আনন্দ ৰাম ঢেকিয়াল ফুকন, বঙালী পণ্ডিত আৰ-চি-দত্ত, এ-জে-মফট-মিলছ আৰু অসমত থকা জনাবুজা পাদুৰী সকলে গ্ৰহণ নকৰিলে। শিৱসাগৰৰ ধৰ্মযাজক ছেমুৱেল এম হুইটিঙে ১৮৫৪ চনৰ ৩ অক্টোবৰত ব্ৰন্সনলৈ লিখা পত্ৰত অসমীয়া ভাষাৰ হক প্ৰতিষ্ঠাত গভীৰ আস্থা প্ৰকাশ কৰা দেখা গৈছে। তেওঁ লিখিছিল :

“It is easy to caricature a language that one knows with oj.” (P 40) B.P.

“ৰবিনছনৰ নিবন্ধ পঢ়িছো। তাত তেওঁৰ মতামত প্ৰকাশ পাইছে। ভাষাটো সম্পৰ্কে তেওঁ এনে মত দাঙি ধৰা বাবে মই দুঃখ পাইছো। চৰকাৰক বঙালী ভাষা চলাবলৈ দিয়কচোন বাৰু! দেখিব শিক্ষা হ্ৰাস পাই আহিছে আৰু কুৰিবছৰৰ মূৰত তেওঁলোকে পুনৰ অসমীয়া ভাষাৰ ওচৰত হাত পাতিবগৈ লাগিব।”

এই ভৱিষ্যত বাণী আখৰে আখৰে ফলিয়ালে।

ব্ৰন্সনৰ কেইটিমান উক্তি প্ৰণিধানযোগ্য। এই উক্তিকেইটাই তেওঁৰ অসমীয়া ভাষা, সাহিত্য আৰু ইতিহাসৰ গভীৰ জ্ঞান ব্যক্ত কৰে। “ফ্ৰেণ্ড অৱ ইণ্ডিয়া” লৈ লিখা উক্ত পত্ৰত তেওঁ মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন আদি পুথি সম্পৰ্কে কৰা মন্তব্যটি দিক্‌দৰ্শী। তেওঁ লিখিছিল :

“তেওঁ (শংকৰদেৱ) ৰাইজৰ স্তৰলৈ নামি আহি, পৱিত্ৰ হিন্দু ধৰ্মশাস্ত্ৰৰ কিছুমান গ্ৰন্থ মূল সংস্কৃতৰ পৰা অনুবাদ কৰি সেইবোৰ ৰাইজক নিজ ভাষাত প্ৰদান কৰিলে। তেতিয়াৰে

পৰা মানুহে আচহুৰা ভাষা আৰু কঠিন পৰিভাষাৰ গৰাহৰ পৰা মুক্ত হৈ লৰালি কালৰ চিনাকি ভাষাত ঈশ্বৰৰ গুণগান কৰিব পৰা হ'ল। বনজুইৰ দৰে বিস্তৃত হৈ এই ৰচনাবোৰ সকলোৰে প্ৰিয় হৈ পৰিল। ইয়াৰ জনপ্ৰিয়তা আজিও আছে আৰু ক্ৰমাৎ বৃদ্ধিহে পাইছে। মোৰ প্ৰশ্ন হ'ল, শিক্ষাৰ উত্তম মাধ্যম কি হ'ব লাগে তাক নিৰ্ধাৰণ কৰোতে এইবোৰ তথ্য জানো বিচাৰ কৰিব নেলাগিছিল ? যি ধৰ্মপ্ৰচাৰ সংঘৰ লগত মই জড়িত, সেই সংঘই যোৱা প্ৰায় কুৰিবছৰে ৰাইজৰ ঘনিষ্ঠ সম্পৰ্কত থাকি বুজিব পাৰিছে যে শিক্ষিত বঙালী সহকাৰী (কেৰাণী) নিযুক্ত কৰা আৰু বঙালী কিতাপ ব্যৱহাৰ কৰা অৰ্থহীন। অসমীয়া মানুহে এইবোৰ ভাল দেখা নাই।"

ভাৰতবৰ্ষৰ প্ৰশাসনীয় বিভাজন যে ভাষা সংস্কৃতিৰ ভেটিত হোৱা ভাল, এনে এটা আন্তৰ্জাতিক ৰাজনৈতিক গণতন্ত্ৰৰ জাতি-বিষয়ক সূত্ৰত এই পাদুৰীজনৰ নিশ্চয় বিশ্বাস আছিল। ব্ৰন্সনে সেই চিঠিত কৰা আন এটা মন্তব্যই তাৰ প্ৰমাণ দিয়ে। তেওঁ লিখিছিল :

"চৰকাৰে কওক অকল অসমৰ ৰাইজেই নহয়, বৰ্মা, বংগদেশ আৰু অন্যান্য প্ৰদেশে নিজ নিজ ভাষাত শিক্ষা পাব, আৰু পূৰ্বোক্ত পৰামৰ্শ (অৰ্থাৎ মিলছৰ ভাষা সম্পৰ্কীয় পৰামৰ্শ) গৃহীত হ'ব। তেতিয়া দেখিব আপোনাৰ গোহাৰিত সহাঁৰি দি গোহাৰিৰ পাত্ৰসমূহে (অৰ্থাৎ পাদুৰীসকলে) নিজৰ সৰ্বস্ব দি চৰকাৰক সহায় কৰিবলৈ উদ্যত হ'ব। তাকে নকৰি মাতৃভাষা দমন বা তাৰ অপ্ৰচলনৰ চেষ্টা কৰিবলৈ ল'লে, তেনেকুৱা সকলো চেষ্টাকে প্ৰস্তাৱিত শিক্ষা আঁচনিৰ সফলতাৰ হানিকাৰক বুলি তেওঁ গণ্য কৰিব। এনে কৰিলে জাতিটোৰে উন্নতিৰ সুবিধাও বহুদিনলৈ হেৰুৱাব।" ব্ৰন্সনৰ এই উক্তিবোৰে স্পষ্ট-ভাৱে প্ৰমাণ কৰে যে অসমীয়া ভাষাৰ সামাজিক ভূমিকা সম্পৰ্কে তেওঁৰ গভীৰ জ্ঞান আছিল।

১৮৬৭ চনত প্ৰকাশ কৰা 'অসমীয়া ইংৰাজী অভিধান" খনতো তেওঁৰ অসমীয়া ভাষাৰ গভীৰ জ্ঞান প্ৰকাশ পাইছে।

তেওঁ মানুহৰ মুখৰ শব্দ, পুথিৰ শব্দ, শব্দৰ ব্যৱহৃত অৰ্থ আৰু উচ্চাৰণ আদি সম্পৰ্কে যথেষ্ট অধ্যয়ন কৰি এই শব্দকোষখন প্ৰস্তুত কৰিছিল। ইয়াৰ বানান পদ্ধতি বিতৰ্কমূলক বুলি জানিও তেওঁ নিজ জ্ঞানবিশ্বাস মতে উচ্চাৰণগত বানানৰ নীতি গ্ৰহণ কৰিছিল। এই পৰীক্ষাৰ মূল্য নোহোৱা নহয়। ব্ৰন্‌সনে এই গ্ৰন্থ সংশোধিত কৰি দ্বিতীয় তাঙৰণ উলিওৱাৰ কথা ভাবিছিল আৰু ইয়াৰ পৰিপূৰক (?) দ্বিতীয় এখন গ্ৰন্থৰো পৰিকল্পনা কৰিছিল। কিন্তু জীৱন চুটি, দেহ ক্ষণভংগুৰ আৰু বাট হুলেৰে ভৰা। তথাপি ব্ৰন্‌সনে আমাক এডুখৰি বহুমূলীয়া হীৰা দি থৈ গৈছে। এই কামৰ আঁৰত আছিল অসমীয়া ভাষাৰ অনন্ত গতিত থকা তেওঁৰ বিশ্বাস।* ঈশ্বৰ বিশ্বাসতকৈ ই কোনো গুণে ক'ম নহয়। মন কৰিবলগীয়া কথা, এই বিশ্বাস অন্ধ নাছিল। ই আছিল বিজ্ঞান সন্মত। তেওঁ পাতনিত কৰা দুটা মন্তব্য উদ্ধৃত কৰাৰ লোভ মই সামৰিব নোৱাৰিলো। প্ৰথম মন্তব্যটো হ'ল ঃ

"অসমীয়া ভাষাটো সাধাৰণতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো ৰাইজৰ কথা কোৱা ভাষা। দাঁতিকাষৰীয়া পাহাৰী জনজাতিৰ লগত আদান-প্ৰদান কৰাৰ মাধ্যমো সৰহ ভাগ ক্ষেত্ৰতেই এই ভাষাই। স্মৰণাতীত কালৰে পৰা এই উপত্যকাত অসমীয়া জাতি আৰু তেওঁলোকৰ ভাষা নাছিল বুলি ক'বলৈ কোনো যুক্তি নাই। শাসক পৰিবৰ্তন আৰু বিভিন্ন যুগৰ অত্যাচাৰ আৰু কুশাসনৰ বিপৰ্যয়ত ভোগা স্বত্বেও ভাষাটোত উপকৰণগত (বস্তুগত) সলনিৰ চিন মোকাম প্ৰায় নোহোৱাকৈ থকালৈ মন কৰিলে আচৰিত নহৈ নোৱাৰি। শ্বান বা টাই জাতিৰ বংশধৰ আহোম সকলে আদিম কালতে অসম জয় কৰি কেইবাশ বছৰো ইয়াত শাসন কৰিলে। এতিয়াহে ই বৰ্তমান চৰকাৰৰ অধীনলৈ আহিছে। কিন্তু আহোম সকলৰ ভাষাৰ (কিছু বা) সামান্য প্ৰভাৱহে এই ভাষাৰ ওপৰত পৰিল। মান, মুছলমান আৰু শক্তিশালী কছাৰী জনজাতি সমূহে বিভিন্ন কালত অসম আক্ৰমণ কৰিছিল যদিও ভাষাটোক চোৱা নাছিল।

ইয়াৰ পৰাই বুজিব পাৰি ৰাইজৰ নিজ ভাষাৰ প্ৰতি কিমান ভালপোৱা ! আমি যদি তেওঁলোকক বিজ্ঞান আৰু ধৰ্মৰ কৃপা-দান কৰিব খোজো, তেন্তে আটাইতকৈ পোন আৰু সফল মাধ্যম হ'ব তেওঁলোকৰ দেশী ভাষা।"

ব্ৰন্সনৰ এই ইতিহাস ব্যাখ্যা সাধাৰণ ভাৱে যুক্তিসন্মত। পাদুৰীসকলৰ উদ্দেশ্য আছিল অসমীয়া মানুহক পশ্চিমীয়া বিজ্ঞান আৰু ধৰ্ম বিলোৱা। 'অৰুণোদয়' আৰু খ্ৰীষ্টীয় ধৰ্ম সাহিত্য প্ৰকাশৰ উদ্দেশ্যও আছিল এয়ে। অসমীয়া মানুহে তেওঁলোকৰ বিজ্ঞান যিমান আগ্ৰহেৰে ল'লে খ্ৰীষ্টধৰ্ম নললে। ইও ঐতিহাসিক সত্য। ইতিহাসে মানুহৰ অবাস্তৱিক ইচ্ছাসমূহ গ্ৰহণ নকৰে, প্ৰয়োজনীয় ভাৱসমূহহে গ্ৰহণ কৰে। ব্ৰন্সনৰ ভাষা চিন্তা আৰু সাধনা বিজ্ঞান সন্মত আছিল দেখি অসমীয়া মানুহে তাক সহজে গ্ৰহণ কৰিলে। বৃটিংশ চৰকাৰৰ ভাষা-চিন্তা আছিল প্ৰসাৰণবাদী। সেইবাবে ইতিহাসে তাক গ্ৰহণ নকৰিলে। ব্ৰন্সনে এই সত্য দেখা পাইছিল।

সেইবাবে ব্ৰন্সনৰ অসমীয়া ভাষাৰ তুলনামূলক অধ্যয়নৰ ঐতিহাসিক মূল্য আছে। বঙালীৰ দৰে অসমীয়া ভাষাও যে এটা স্বতন্ত্ৰ ভাষা আৰু এই ভাষা অৱহেলা কৰা অন্যায়, এই কথা তেওঁ ভাষাতত্বৰ দৃষ্টিৰ পৰা চাই দৃঢ়ভাৱে তেওঁৰ দ্বিতীয় মন্তব্যত ব্যক্ত কৰি গৈছে। তেওঁ লিখিছিল,

"ত্ৰিশ বছৰ ধৰি জাতিটোৰ লগত মোৰ ঘনিষ্ঠ পৰিচয়। মই এই যুক্তিত পতিয়ন গৈছো যে এওঁলোকৰ ভাষাটো অৱ-হেলা কৰাটো ভুল। বৰং এই ভাষাক পোহপালহে দিব লাগে। উচিত শিক্ষা দিলে শিক্ষিত অসমীয়াই অচিৰতে দেশী ভাষাৰ পাঠ্য-পুথি লিখিব আৰু ৰাইজৰ মনত শিক্ষাৰ অনুকূল প্ৰেৰণা জাগিব। আন কোনো উপায়েৰে তেওঁলোকৰ মাজত শিক্ষা জনপ্ৰিয় কৰি তুলিব নোৱাৰি।"

এই মন্তব্যটো আজিৰ শাসক সকলেও পঢ়িব লাগে। মোৰ বিশ্বাস অসমত শিক্ষা জনপ্ৰিয়; সাৰ্বজনীন, উৎপাদনক্ষম আৰু সৃষ্টিক্ষম কৰি তুলি প্ৰত্যেককে জ্ঞানী, গুণী আৰু স্বশাসিত কৰি

তোলাৰ এটা আৱশ্যকীয় চৰ্ত হ'ল অসমীয়া ভাষাক উচিত পোহ-পাল দি প্ৰকৃত যোগাযোগ, আদান-প্ৰদান, জ্ঞানাৰ্জন আৰু সাৰ্বিক জাতীয় উন্নতি সাধনৰ ভাল মাধ্যম কৰি তোলা। ৰাষ্ট্ৰীয় ভাষা আৰু আন্তৰ্জাতিক ভাষাও আমাক লাগে, কিন্তু এইবোৰ ভাষাই অসমীয়া ভাষাৰ ঠাই ল'ব নোৱাৰে। অসমত যিবোৰ থলুৱা জনজাতীয় আৰু লোকভাষা আছে, সেইবোৰকো উচিত স্থান আৰু পৰিপূৰক ভূমিকা দি উমৈহতীয়া আঞ্চলিক ভাষাক ৰাইজৰ সাৰ্বিক উন্নতিৰ আহিলা কৰিবলৈ আমি আগবাঢ়ি যাব লাগিব।

১৮৫৪ চনৰ ১৩ নৱেম্বৰৰ দিনা বংগদেশৰ লেফটেনেণ্ট গৱৰ্ণৰ ফ্ৰেডেৰিক হেইলীলৈ লিখা এখন চিঠিত ব্ৰন্সনে অসমৰ দাঁতিকাষৰীয়া পৰ্বতীয়া জাতিবোৰৰ মাজত অসমীয়া ভাষাক উমৈহতীয়া ভাষা ৰূপে ব্যৱহাৰ কৰাৰ কথাও উল্লেখ কৰিছিল। সেই সময়ৰ অৱস্থালৈ চাই তেওঁ অসমীয়া ভাষাৰ যোগেদি তেওঁলোকক আধুনিক শিক্ষা দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল। লগতে তেওঁ লিখিছিল:

"সকলো জনজাতিৰ ভাষাকে একোটা 'চিষ্টেম' বা প্ৰণালী-বদ্ধ ৰূপত গঢ় দিব পৰা যাব বুলি আৰু বুজন সংখ্যক কিতাপ আৰু অনুবাদ-গ্ৰন্থ প্ৰস্তুত কৰিব পৰা যাব বুলি মোৰ মনে নধৰে। কিন্তু উমৈহতীয়া মাধ্যম ৰূপে ভাষাৰ যোগেদি বৰ্তমান অৱস্থাতো যথেষ্ট কাম কৰিব পৰা যাব বুলি মোৰ বিশ্বাস।"

নগালেণ্ড আৰু অৰুণাচলৰ শিক্ষা ব্যৱস্থাত আজি অসমীয়াৰ স্থান নাই। কিন্তু সেই দুই ৰাজ্যৰ ৰাইজৰ মাজত নাগামিজ আৰু অৰুণাচলীয় অসমীয়া আজিও চলি আছে। ইংৰাজী ভাষাৰ যোগে জনজাতীয় ৰাইজক প্ৰকৃত শিক্ষা দিব পৰা যাব বুলি মোৰ বিশ্বাস নহয়। তেওঁলোকৰ সাৰ্বিক উন্নয়নৰ বাবে উন্নতিৰ বিভিন্ন স্তৰত থকা জনজাতীয় ভাষাবোৰক সহায় কৰিবলৈ এটা উপযুক্ত দেশী ভাষাৰো প্ৰয়োজন হৈছে। ঐতিহাসিক কাৰণত হিন্দীতকৈ অসমীয়া ভাষাটোহে বা জনজাতি সকলে নিজ গঢ় দি লোৱা নাগামিজ আদি ভাষাইহে এই সাহায্য

আগবঢ়াব পাৰিব। অৱশ্যে তাৰবাবে সেই তুখন ৰাজ্যৰ শিক্ষিত শ্রেণীৰ মাজত অনুকূল চেতনা আৰু আমাৰ মাজত জনজাতীয় ৰাইজৰ উপযোগী অসমীয়া পুস্তকাদি প্রণয়নৰ বাবে নতুন উদ্যমৰ আৱশ্যক হ'ব।

ব্রন্সনৰ দৰে সেৱকে সেৱাৰ যোগেদি তুখন দেশৰ ৰাইজৰ মাজতো আন্তৰিক সম্পর্ক স্থাপনৰ বাট পোনাই গৈছে। প্রকৃত পক্ষে সংস্কৃতিয়েহে তুখন বেলেগ দেশৰ ৰাইজক ঘাই মানবীয় আৰু নন্দনতাত্ত্বিক প্রমূল্য সমূহৰ ভেটিত হোৱা আদান-প্রদানৰ মাজেদি মৰমৰ এনাজৰীৰে বান্ধি ৰাখিব পাৰে। ব্রন্সনৰ ধর্মমত আমাৰ মনঃপুত নহব পাৰে, কিন্তু তেওঁ চৰিত্রগুণে আমাক মুগ্ধ কৰিবলৈ বাধ্য! তেওঁ এবাৰ নগাপৰ্বতত কাম কৰিবলৈ সেৱক বিচাৰিছিল। সেই সেৱক জনৰ মাজত তেওঁ যিবোৰ গুণ বিচাৰিছিল, সেইবোৰ হ'ল এনে: শৃংখলাবদ্ধ মন, অপৰিসীম সহিষ্ণুতা, আপদ-বিপদত দর্শাব পৰা নিষ্ঠা, লক্ষ্য সাধনৰ অর্থে অনন্ত ধৈর্য আৰু ত্যাগৰ শক্তি, যিকোনো ঠাইতে গৈ কর্তব্য সাধন কৰাৰ আগ্রহ, অবিচলিত চিত্ত, অমইমতীয়া ভাৱ, অহংকাৰশূন্যতা আৰু গভীৰ ধর্মপৰায়ণতা। মানুহৰ এনে গুণ থাকিলে তেওঁ চুটি জীৱনতে বহুত লাগতিয়াল কাম কৰি যাব পাৰে।

অসমৰ সকলো শ্রেণীৰ ৰাইজৰ সমূহীয়া সাংস্কৃতিক বিকাশেই ব্রন্সনৰ সেৱাৰ লক্ষ্য আছিল যেন বোধহয়। আমাৰ শিক্ষাই আমাৰ সাংস্কৃতিক চেতনা বিকাশ আৰু ৰুচি গঠনত সহায় কৰা নাই। আমাৰ প্রাচীন সাংস্কৃতিক সম্পদসমূহো ভালকৈ সংৰক্ষিত হোৱা নাই। আধুনিক শিল্পী আৰু সাহিত্যিক সকলক সৃষ্টিৰ পৰিবেশো আমি গঢ়ি দিব পৰা নাই। জনজাতীয় আৰু গাঁৱলীয়া মৌখিক সাহিত্য আৰু চাৰুশিল্পবোৰকো সঞ্জীৱনীৰ আৱশ্যক হৈছে। বিদেশী নাগৰিকৰ সমস্যা লৈ হোৱা জনআন্দোলনৰ মাজেদিও অসমীয়া মানুহৰ ভাষা-সাহিত্য আৰু কলাসংস্কৃতি বিষয়ক নতুন আশা-আকাংখা কিছুমানে মূৰ তুলি উঠিছে। বিকাশশীল ক্ষুদ্র জাতি এটাই কিদৰে বৃহৎ

ভাৰতীয় ৰাজনৈতিক আৰু অৰ্থসামাজিক ব্যৱস্থাৰ মাজত থাকি আত্ম সন্মানেৰে সাৰ্বিক উন্নয়নৰ পথত আগবাঢ়ি যাব পাৰে তাৰ বাবে চিন্তা কৰিব লগা আৰু কাৰ্যসূচীও যুগুতাব লগা হৈছে। যিবিলাক মহৎ প্ৰমূল্যৰ ভিত্তিত আমাৰ ৰাজনীতিৰ লগত সংস্কৃতিৰ বুজা-পঢ়া হৈছিল (বিশেষকৈ মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা জাতীয় বিপ্লৱৰ কালত), সেই বুজাপঢ়া হিংসাৰ বাতাৱৰণে যেন ভাঙি পেলাবৰ উপক্ৰম কৰিছে। বাঢ়ি অহা ৰাষ্ট্ৰীয় হিংসাই মহৎ প্ৰমূল্যবোৰ হানি কৰাত আগ ভাগ লৈছে। এনে এটা বিষম আৰু সংকটপূৰ্ণ সন্ধিক্ষণত আমি এই প্ৰমূল্য-বোৰ জীয়াই ৰখাৰ ভাৰ ল'ব লাগিব। বৰ্তমান আন্দোলনৰ এটা ন্যায়সঙ্গত আৰু খৰতকীয়া সমাধানৰ যি প্ৰচেষ্টা চলি আছে, তাক আমি সাফল্য মণ্ডিত কৰিব লাগিব। লগে লগে অসমৰ ৰাইজৰ মনত সুচেতনা জাগ্ৰত কৰি অসমীয়া মন, ভাৰতীয় আৰু বিশ্বমনৰ নীতিগত সমন্বয় সাধি আমাৰ জাতীয় উন্নতিৰ এৰাব নোৱাৰা অংগ অসমৰ সৰ্বতোমুখী সাংস্কৃতিক বিকাশৰ পবিত্ৰ কামত ব্ৰতী হ'ব লাগিব। িৰসাগৰত কেইবাটাও কালৰ ৰিঙি শুনিছো। আমাৰ অতীত আৰু ভৱিষ্যত কিন্তু বৰ্তমানতে লুকাই আছে। বৰ্তমানত আমি কি ভাবোঁ, আৰু কেনেকৈ ভাবোঁ আৰু কি কৰোঁ, তাৰ ওপৰতে অতীতৰ মূল্য আৰু ভৱিষ্যতৰ গৰিমা। সৰু জাতি হ'লেও আমাৰ ক্ষুদ্ৰত্বৰ মাজত বিৰাটৰ বীজ লুকাই আছে। আমাৰ যুগটো সৰু সৰু জাতিৰ উত্থানৰ যুগ। আমি যদি প্ৰত্যেকেই নিজ ক্ষেত্ৰত ব্ৰ'সনৰ সেৱকৰ আৰ্হিতে কাম কৰো, আমাৰ ভৱিষ্যত উজ্জ্বল হ'ব।

ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য